## প্ৰথম অধ্যায়

# আধুনিক অসমীয়া উপন্যাসৰ ধাৰাত মহিলা ঔপন্যাসিক আৰু তেওঁলোকৰ উপন্যাসত প্ৰতিফলিত নাৰীচেতনা

একোখন ঘৰ অথবা সমাজ নাৰী-পুৰুষ উভয়ৰে উমৈহতীয়া প্ৰচেষ্টাতহে সুচাৰুৰূপে পৰিচালিত হয়। পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থাত নাৰীক শোষণ-দমন কৰিব বিচৰা হয় যদিও নাৰী অবিহনে জীৱনৰ কোনো এটা দিশেই সম্পূৰ্ণ হোৱা বুলি ক'ব নোৱাৰি। সাহিত্যৰ ক্ষেত্ৰতো দেখা যায় যে বিভিন্ন যুগত নাৰীয়ে বিভিন্ন ধৰণে আত্মপ্ৰকাশ কৰি আহিছে। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে সকলো লেখকৰ দৃষ্টিত নাৰী একে নহয়। প্ৰতিজন লেখকেই নিজৰ কাহিনীৰ প্ৰয়োজনত নিজৰ সুবিধা অনুযায়ী নাৰী চৰিত্ৰবোৰ সজাই-পৰাই লয়। কোনোজনে নাৰীৰ স্থুল ৰূপটোহে বৰ্ণনা কৰিছে। কোনোজনে আকৌ নাৰীমনৰ নিভৃত কোণত প্ৰৱেশ কৰি সূক্ষ্মাতিসূক্ষ্ম অনুভূতিবোৰ চালি-জাৰি চাইছে। কোনোজনে প্ৰেমময়ী-কৰুণাময়ী নাৰী চৰিত্ৰ অংকন কৰি নাৰীগৰাকীৰ আৱেগপ্ৰৱণ দিশটো উদঙাই দেখুৱাইছে। সাহিত্যিকসকলে নাৰীক যিদৰেই ব্যাখ্যা নকৰক কিয়, এগৰাকী নাৰীৰ মাজত লুকাই থকা নাৰীচেতনাৰ দিশবোৰ কিদৰে গ্ৰহণ কৰিব পাৰিছে, সেইটোহে বিচাৰ্যৰ বিষয়।

**এগৰাকী নাৰীৰ মাজত লুকাই থকা প্ৰেম, শ্ৰদ্ধা, কৰ্তব্য, দায়বদ্ধতা, কৰুণা, মমতা, শাসন, মৰম আদি সকলোবোৰ দিশ নাৰীচেতনাৰ অন্তৰ্গত**। দেখা যায় সাহিত্যিকসকলে নাৰীৰ আনন্দময়ী ৰূপতকৈ আৱেগিক ৰূপটোকহে বেছি পছন্দ কৰে। তেওঁলোকে নাৰীক দুৰ্গাদেৱী, কাত্যায়নী, দেৱী নাৰায়ণী, দুৰ্গতিনাশিনীৰ ৰূপত সজাই তোলে। আকৌ এই নাৰীয়ে পিশাচিনী, কলংকিনী, কৃপাময়ী, বহুপুৰুষগামিনী আৰু দাসীও হৈ পৰে।

"প্ৰেম আৰু কৰুণাৰ প্ৰতীক ৰূপে নাৰী চিৰদিনেই পুৰুষৰ বাবে প্ৰেৰণাৰ উৎস। নাৰীৰ স্বাভাৱিক কোমলতাৰ আঁৰত লুকাই আছে এক অনমনীয় মানসিক শক্তি, যাৰ বাবে নাৰী সকলো ত্যাগ কৰিবলৈ সক্ষম। কল্পনাত নাৰীক পৱিত্ৰতা আৰু কোমলতাৰ মাধুৰ্যৰে সুষমামণ্ডিত কৰি সজোৱা হয়। বহু লেখকে কল্পনাৰ নাৰীক বাস্তৱলৈ নমাই আনে। কিন্তু সেইখিনিতে

তেওঁলোকে উজুটি খায়। সেই একে নাৰীক তেওঁলোকে সাহস আৰু বৌদ্ধিক বিচক্ষণতাৰে উজ্জ্বল আৰু শক্তিমতী কৰি তোলাৰ ক্ষেত্ৰত যে কৃপণালি কৰে, তেনে মানসিকতা পৰিলক্ষিত হয়।"[১]

**ৰহস্যময়তাৰে ভৰা নাৰীৰ মন আকাশত দেৱতায়ো প্ৰৱেশ কৰিব নোৱাৰে। নাৰীমনৰ গভীৰতালৈ প্ৰৱেশ কৰি এগৰাকী নাৰীৰ অন্তৰ্জগতখনেনো প্ৰকৃততে কি বিচাৰে ইয়াৰ প্ৰতিধ্বনি ভালদৰে শুনি লৈ হৃদয়ংগম কৰিব পাৰিলেহে নাৰীচেতনাৰ বিভিন্ন দিশ সাৰ্থকভাৱে ৰূপায়িত কৰাটো সম্ভৱ হ'ব। অসমীয়া সাহিত্যত মহিলা ঔপন্যাসিকসকলে নাৰীৰ দৃষ্টিৰে নাৰীক তেওঁলোকৰ উপন্যাসসমূহত অংকন কৰিবলৈ চেষ্টা কৰিছে। চন্দ্ৰপ্ৰভা শইকীয়ানী, পূৰবী বৰমুদৈ, নিৰুপমা বৰগোহাঞি, তিলোত্তমা মিশ্ৰ, ড° মামণি ৰয়ছম গোস্বামী, ড° অৰূপা পটঙ্গীয়া কলিতা, ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী, মণিকুন্তলা ভট্টাচাৰ্য আদি মহিলা ঔপন্যাসিকসকলে নাৰী জীৱনৰ ধ্যান-ধাৰণা, আশা-আকাংক্ষাক কলাসুলভতাৰে প্ৰতিষ্ঠিত কৰিছে।** এইবোৰ উপন্যাসৰ জৰিয়তে প্ৰতিফলিত নাৰীচেতনা সম্পৰ্কে কিছু কথা আলোচনা কৰা হওক।

'অৰুণোদয়' যুগতে আত্মপ্ৰকাশ কৰি অসমীয়া উপন্যাসৰ বীজ স্থাপন কৰা পদ্মাৱতী দেৱী ফুকননীয়ে **'সুধৰ্মাৰ উপাখ্যান'** নামৰ গ্ৰন্থখনি ৰচনা কৰে। এই গ্ৰন্থৰ ৰচনাৰ সময় ১৮৮৪ চন। গ্ৰন্থখনিক একে আষাৰতে উপন্যাস নুবুলি উপন্যাসৰ পূৰ্বভাগ বোলাটোহে অধিক যুগুত হ'ব। আংগিকৰ ফালৰপৰা ই উপন্যাসৰ সকলো দিশ প্ৰতিভাত কৰিব পৰা নাই যদিও প্ৰথমখন অসমীয়া উপন্যাস পদ্মনাথ গোহাঞিবৰুৱাৰ 'ভানুমতী'ৰ ইয়ে বাট কাটি থৈ গৈছে। সনাতন ভাৰতীয় নাৰীৰ স্বামীভক্তি আৰু প্ৰেমৰ চেতনাক এই ৰচনাই সুন্দৰভাৱে প্ৰতিফলিত কৰিছে। বেহা-বেপাৰৰ বাবে যোৱা স্বামীক সংগ দি সুধৰ্মা আৰু লীলা নামৰ দুয়োগৰাকী নাৰীয়েই দুৰ্ঘটনাত পতিত হৈ নিজ নিজ স্বামীৰ পৰা বিচ্ছিন্ন হৈ স্বামীৰ সন্ধানত ঘূৰি ঘূৰি অৰণ্যৰ মাজৰ এখন আশ্ৰমত আশ্ৰয় গ্ৰহণ কৰিছে। তেওঁলোকে এই আশ্ৰমত **'মনোৰমা'** নামৰ এগৰাকী নাৰীক লগ পাইছে, যাক স্বামীয়ে ঘৰৰপৰা উলিয়াই অৰণ্যত এৰি থৈ গুচি গৈছে। আশ্ৰমখনিৰ বৃদ্ধা তাপসীয়ে মনোৰমাক নানাধৰণৰ উপদেশ দিছে। এই সকলোবোৰ উপদেশেই আছিল ব্যক্তিবাদবিৰোধী আৰু পৰম্পৰাবাদী। পতিব্ৰতা ধৰ্মৰ বাবেই হওক বা দৈৱৰ বলতে হওক **সুধৰ্মা, নীলা** আৰু **মনোৰমা** — তিনিওগৰাকী নাৰীয়েই পৰিশেষত আপোন স্বামীক লগ পাইছে।

নিজৰ স্বামীৰ প্ৰতি শ্ৰদ্ধা, আনুগত্য, প্ৰেম আদি নাৰীচেতনাৰ অন্তৰ্গত। পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান'ত নাৰীচেতনাৰ এই দিশটো বিকশিত হোৱা পৰিলক্ষিত হৈছে।

অসমীয়া উপন্যাস সাহিত্যৰ আৰম্ভণিকালতে নাৰীচেতনাৰ তীব্ৰতৰ ৰূপটোক প্ৰতিফলিত কৰি উপন্যাস ৰচনা কৰা এগৰাকী মহিলা ঔপন্যাসিক হ'ল চন্দ্ৰপ্ৰভা শইকীয়ানী। ঊনবিংশ শতিকাৰ শেষৰ ফাললৈকে অসমৰ নাৰীয়ে স্বামী আৰু পৰিয়ালৰ দায়িত্বৰ বাহিৰে জগতৰ আন কথা চিন্তা কৰাটো সম্ভৱ হোৱা নাছিল। ঔপন্যাসিকসকলে নাৰী স্বাধীনতাৰ দিশটোলৈ দৃষ্টি নিক্ষেপ কৰিলেও নাৰীচেতনাৰ সফল প্ৰতিফলন উপন্যাসসমূহত ঘটিছিল বুলি ন দি ক'ব নোৱাৰি। ১৯৩৭ চনত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ **'পিতৃভিঠা'** নামৰ উপন্যাসখন প্ৰকাশিত হয়। ইয়াৰ বিষয়বস্তু নাৰীৰ অবাধ স্বাধীনতা হ'লেও ইয়াত নাৰীচেতনাৰ সাৰ্থক ৰূপায়ণ ঘটা বুলি ক'ব নোৱাৰি।

**'পিতৃভিঠা'** উপন্যাসখনিৰ নায়িকা **'মাধৱী'** মেধাৱী হ'লেও পিতৃৰ বিয়োগত তাই অৰ্থৰ অভাৱত ভুগিছে। তাইৰ প্ৰেমিক ললিত মহাজনৰ পুতেক 'মাধৱ'। বিপদত পৰি মাধৱীয়ে মাধৱক অলপ টকা-পইচা খোজাত নিজে উপাৰ্জন নকৰাকৈ মাধৱীক পইচাৰ যোগান ধৰাত মাধৱ বিফল হৈছে। এইখিনিতে মাধৱী ক্ষুব্ধ হৈ নাৰীৰ যুগ-যুগান্তৰৰ মানসিকতাৰ বিপৰীতে গৈ যি ডেকাই তেওঁৰ পৰিয়ালক বিপদৰ পৰা উদ্ধাৰ হ'বলৈ ধন দিব পাৰে তেওঁকেই বিয়া কৰাব বুলি ঘোষণা কৰিছে।

প্ৰকৃততে এগৰাকী নাৰীয়ে এজন পুৰুষৰ পৰা আৰ্থিক, মানসিক, শাৰীৰিক, পাৰিবাৰিক সকলোধৰণৰ নিৰাপত্তাই বিচাৰে। সেয়েহে তাই প্ৰেমিক হিচাপে মাধৱৰ ওচৰত কিছু সহায়ৰ আব্দাৰ তোলাটো স্বাভাৱিক। কিন্তু মাধৱ সক্ষম নোহোৱাৰ বাবেই হঠাতে বেলেগ এজনৰ লগত বিবাহপাশত আবদ্ধ হোৱাটো এগৰাকী নাৰী হিচাপে মাধৱীৰ পক্ষে উচিত নহ'ল।

চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে পিতৃৰ মৃত্যুত দিক্-বিদিক হেৰুৱাই হঠাতে সিদ্ধান্ত লোৱা মাধৱীৰ চৰিত্ৰটোক আদৰ্শনীয় ৰূপত উপস্থাপন কৰাত সফল হ'ব নোৱাৰিলেও নিজ পিতৃ-মাতৃ তথা পৰিয়ালৰ প্ৰতি দায়িত্ব পালন কৰিবলৈ গৈ এগৰাকী নাৰীয়ে যে আৱেগতকৈ কৰ্তব্যক প্ৰাধান্য দিব পাৰে এই কথা উপস্থাপন কৰিছে। অৱশ্যে মাধৱৰ প্ৰতি থকা প্ৰেমো তাইৰ মনৰ পৰা শেষ হৈ যোৱা নাছিল। সেয়েহে মাধৱৰ অকাল মৃত্যুত মাধৱীৰো মৃত্যু ঘটিছে। বাহিৰৰ পৰা যিমান কঠোৰ দেখিলেও নাৰীৰ ভিতৰখন যে মমতাৰে পৰিপূৰ্ণ এই কথা উপন্যাসখনিৰ অধ্যয়নৰ পৰা অনুধাৱন কৰিব পাৰি।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ পিছত নাৰীচেতনাৰে উদ্বুদ্ধ আন এগৰাকী মহিলা ঔপন্যাসিক হ'ল **নিৰুপমা বৰগোহাঞি**। ৰামধেনু যুগৰ ঔপন্যাসিকসকলৰ ভিতৰত এওঁ অন্যতম।

"বৈবাহিক জীৱনৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী বিভিন্ন সমস্যা, পুৰুষপ্ৰধান সমাজত নাৰীৰ অৱস্থিতি, অৰ্থনৈতিক মনঃস্তাত্ত্বিক দিশত সন্মুখীন হোৱা বিভিন্ন সমস্যা, নাৰী-পুৰুষৰ পৰস্পৰ সন্দেহবশতঃ সৃষ্টি হোৱা সংগোপিত বেদনা তথা নাৰীৰ ব্যক্তিত্ব বিকাশৰ বিভিন্ন সংঘাত ইত্যাদিৰে কেইবাখনো উপন্যাসৰ পটভূমি গঢ় লৈ উঠিছে।"[২]

১৯৬৩ চনত প্ৰকাশ পোৱা **'সেই নদী নিৰৱধি'** নিৰুপমা বৰগোহাঞিৰ প্ৰথম উপন্যাস। পাগলাদিয়া নদীৰ পাৰৰ **'লক্ষ্মী'** নামৰ ছোৱালীজনীক কেন্দ্ৰ কৰি উপন্যাসখনৰ কাহিনীভাগ আগবাঢ়িছে। এই চৰিত্ৰটোত ঔপন্যাসিকাই পৰম্পৰাবাদী নাৰীৰ ৰূপটোকেই অংকিত কৰিছে। এগৰাকী নাৰীৰ মাজত থকা প্ৰেম, মানৱতাবোধ আৰু নিজ সন্তানৰ প্ৰতি মমতা উপন্যাসখনিৰ পাতে পাতে বিৰাজমান।

বৰগোহাঞিৰ **'এজন বুঢ়া মানুহ'** নামৰ উপন্যাসত বৃদ্ধ বিজয় ভড়ালীৰ মনত নিজৰ পত্নী ইলা আৰু বোৱাৰী কমলাক লৈ বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইলাই যি পায় তাতে সন্তুষ্ট আছিল, আনহাতে কমলা সদায় অসন্তুষ্ট। ইলা আছিল ত্যাগী আৰু সহনশীল নাৰীৰ প্ৰতিমূৰ্তি। ইয়াৰ বিপৰীতে কমলাই কেৱল স্বামী-পুত্ৰক সেৱা কৰাটোকেই জীৱন বুলি মানি লোৱা নাই।

এই উপন্যাসখনিত ইলাই নিজ স্বামী-সন্তানৰ প্ৰতি দায়িত্ব তথা কৰ্তব্য পালনত সফল হৈছে। এগৰাকী নাৰী হিচাপে ঘৰৰ চৌহদতে আবদ্ধ থাকি সকলো দায়িত্ব সুচাৰুৰূপে পালন কৰা ইলাক নাৰীৰ পৰম্পৰাগত ৰূপ বুলি ক'ব পাৰি। আনফালে কমলাই নাৰী হিচাপে ঘৰখন সুন্দৰকৈ সজাই তুলিছে। সুন্দৰতাৰ প্ৰতি আকৰ্ষণ নাৰীৰ স্বভাৱজাত প্ৰবৃত্তি। সেয়েহে ঘৰখন তাই নিজা পৰিকল্পনাৰে আটোমটোকাৰিকৈ সজাই লৈছে। **ইলা আৰু কমলা এই দুয়োটা বিপৰীতধৰ্মী চৰিত্ৰৰ মাজেৰে আমি নাৰীচেতনাৰ দুটা বেলেগ দিশ দেখিবলৈ পাওঁ।** এটা হ'ল নাৰীসুলভ প্ৰেম, মমতা, কল্যাণকামিতা আদি গুণেৰে বিভূষিত হৈ স্বামী সেৱাকে সৰ্বস্ব জ্ঞান কৰা এগৰাকী পৰম্পৰাগত ভাৰতীয় নাৰীৰ চিৰন্তন পত্নীপ্ৰাণ চেতনা আৰু আনটো হ'ল চিৰন্তন প্ৰেম, আৱেগ আদিক জীপাল কৰি ৰাখিও যিবোৰৰ ঊৰ্দ্ধত গৈ এখন নিজস্ব পৃথিৱীৰ পোষকতা কৰা প্ৰগতিশীল চেতনা।

স্বামী আৰু স্ত্ৰীৰ বুজাবুজিৰ ওপৰতহে যে বিবাহিতা নাৰীৰ সুখ-দুখ নিৰ্ভৰশীল, এই কথা **'দিনৰ পাছত দিন'** নামৰ উপন্যাসখনিৰ জৰিয়তে বৰগোহাঞিয়ে ব্যক্ত কৰিছে। **'কেকটাচৰ ফুল', 'তিনিকন্যা', 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ', 'অন্যজীৱন', 'চম্পাৱতী', 'অভিযাত্ৰী'**— এই আটাইকেইখন উপন্যাসতে নাৰীক বিভিন্ন ৰূপত অংকন কৰা হৈছে। **'কেকটাচৰ ফুল'** নামৰ উপন্যাসখনিত **'ললিতাবালা'** নামৰ এক ব্যতিক্ৰমী চৰিত্ৰৰ কথা আলোচিত হৈছে। নিজৰ অন্তৰৰ সৌন্দৰ্যৰ প্ৰতি অত্যন্ত সজাগ ললিতাবালাই দৃঢ়তা আৰু আত্মবিশ্বাসেৰে নিজৰ জীৱন পথত খোজ থৈছে। ১৯৭৮ চনত প্ৰকাশ পোৱা তেওঁৰ **'তিনিকন্যা'** নামৰ উপন্যাসখনত পৰম্পৰাবাদী মাতৃ আৰু সাহসী প্ৰতিবাদী জীয়েকৰ চৰিত্ৰ অংকন কৰা হৈছে। **'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ'**ত অধ্যয়নশীলা, যুক্তিবাদী, 'বুদ্ধিমতী', ৰোমাণ্টিক আৰু কথা-বতৰাত পাৰ্গত **'অঞ্জলি'** নামৰ চৰিত্ৰটোৰ কথা কোৱা হৈছে। তাই পুৰুষৰ অন্যায়ৰ বিৰুদ্ধে মাত মাতে। **'পটেশ্বৰী'** এই উপন্যাসখনিৰ এটা কৰুণ চৰিত্ৰ। **ধনীৰ শোষণ আৰু নাৰী শ্ৰমিকৰ ওপৰত মালিক শ্ৰেণীৰ অত্যাচাৰৰ কথা এই উপন্যাসখনিত চিত্ৰিত হৈছে**। 'চম্পাৱতী' নামৰ উপন্যাসখনিত নায়িকা চম্পাৱতী ধনী আৰু প্ৰতিপত্তিশীল ৰাজনৈতিক নেতাৰ লগত বিয়া হ'লেও মোহভংগ ঘটি পৰৱৰ্তী সময়ত তাই বিবাহ বান্ধোনৰ পৰা ওলাই আহিছে।

বৰগোহাঞিৰ **'অভিযাত্ৰী' উপন্যাসখন অসমৰ নাৰী মুক্তি আন্দোলনৰ বাটকটীয়া চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ আধাৰত ৰচিত। নাৰী-পুৰুষৰ সমতাকামী, ভাৰতীয় স্বাধীনতা আন্দোলন আৰু ইয়াৰ পটভূমিত নাৰীমুক্তি, আন্দোলনত কৰ্মী আৰু নেত্ৰী চন্দ্ৰপ্ৰভাৰ জীৱনৰ কথা উপন্যাসখনিত বিতংকৈ আলোচনা কৰা হৈছে**। বৰগোহাঞিয়ে **'অন্যজীৱন'** আৰু **'চম্পাৱতী'**— এই দুয়োখন উপন্যাসৰ জৰিয়তে **নাৰী দুৰ্দশাৰ অন্ত** পেলাবলৈ চেষ্টা কৰিছে। বৰগোহাঞিৰ উপন্যাস-সমগ্ৰত নাৰীচেতনাৰ দিশটো বহুধাবিভক্ত। তেওঁৰ উপন্যাসৰ নায়িকা ক'ৰবাত যদি অফুৰন্ত প্ৰেম আৰু ত্যাগৰ প্ৰতিমূৰ্তি, তেন্তে ক'ৰবাত আত্মপৰিচয়ৰ প্ৰতি সবল, সক্ৰিয় এক দুৰ্দমনীয় ব্যক্তিত্বৰ অধিকাৰী নাৰী। ক'ৰবাত যদি বঞ্চিতা নাৰীৰ হুমুনিয়াহে বৰগোহাঞিৰ উপন্যাসৰ পাঠকক আৱেগিক কৰি তুলিছে, ক'ৰবাত আকৌ প্ৰতিবাদুমখী নাৰীৰ জাগ্ৰত চেতনাই হঠাৎ লোৱা সিদ্ধান্তত পাঠকক হতচকিত কৰি তুলিছে। মুঠৰ ওপৰত বৈচিত্ৰ্যশালী ৰূপত বৰগোহাঞিৰ উপন্যাসসমূহত নাৰীচেতনাৰ তীক্ষ্ণ ৰূপটো লক্ষ্য কৰা যায়। এয়া তেওঁৰ উপন্যাসৰ এক অনন্য বৈশিষ্ট্য।

বিংশ শতিকাৰ শেষৰফালে অসমীয়া উপন্যাস সাহিত্যক শক্তিশালী ৰূপত গঢ়ি তোলা

মহিলা ঔপন্যাসিকসকলৰ ভিতৰত **মামণি ৰয়ছম গোস্বামী** অন্যতম। **'চেনাবৰ সোঁত', 'নীলকণ্ঠী ব্ৰজ', 'মামৰে ধৰা তৰোৱাল', 'উদয়ভানুৰ চৰিত্ৰ', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' আদি উপন্যাসসমূহ তেওঁ বিচিত্ৰ পটভূমিৰে সৃষ্টি কৰিছে।**

তেওঁৰ 'নীলকণ্ঠী ব্ৰজ' উপন্যাসখন বৃন্দাবনৰ পটভূমিত ৰচিত হৈছে। ইয়াত তেওঁ ব্ৰজধামৰ ঐতিহ্য, আদৰ্শ, পূজা-পাৰ্বণ আৰু কলা-কৃষ্টিৰ লগতে ব্ৰজধামৰ বিধৱাসকলৰ দুখ-যন্ত্ৰণা, বেদনা, যৌন ব্যভিচাৰ আদি সকৰুণভাৱে বৰ্ণনা কৰিছে। এই উপন্যাসখনত 'সৌদামিনী' নামৰ মুখ্য নাৰী চৰিত্ৰটোৱে পুৰণিকলীয়া ধৰ্মান্ধতাৰ হেঙাৰ নেওচি নিজ মতে জীৱন জীয়াব খুজিছে। পুৰুষৰ আগত সংকোচ নোহোৱাকৈ মনৰ কথা ব্যক্ত কৰিছে, নাৰী-পুৰুষৰ সমতা স্থাপন কৰিছে।

"সৌদামিনীয়ে প্ৰেম মিলনৰ জৰিয়তে তাইৰো যে মনৰ সত্তা আছে সেয়া প্ৰতিপন্ন কৰিছে। পুৰুষপ্ৰধান সমাজত তাই হাৰ মনা নাই। অৱশেষত সৌদামিনীয়ে যমুনাৰ অতল গৰ্ভলৈ খোজকাঢ়ি গৈ আত্মহত্যা কৰিবলৈ বাধ্য হৈছে যদিও তাৰ মাজেদি অসমীয়া সমাজৰ ৰক্ষণশীলতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। তদুপৰি ব্ৰজধামৰ আচল ৰূপটোও সমাজৰ আগত দাঙি ধৰিছে।"[৩]

**দক্ষিণ কামৰূপৰ আমৰঙা সত্ৰৰ পটভূমিত** গোস্বামীয়ে **'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'** উপন্যাসখন ৰচনা কৰিছে। ইয়াৰ **গিৰিবালা, সৰু গোসাঁনী** আৰু **যঁতৰ কটা বুঢ়ী**ৰ চৰিত্ৰৰ মাজেৰে নাৰীচেতনাৰ প্ৰকাশ ঘটিছে।

বিধৱা হোৱা সত্বেও ককাকৰ শ্ৰাদ্ধত মাংস ভক্ষণ কৰি **গিৰিবালাই ব্যক্তিগত স্বাধীনতা ঘোষণা কৰিছে।** সত্ৰীয়া সমাজৰ ৰক্ষণশীলতাৰ পৰা মুক্ত হ'ব বিচাৰি তাই মাৰ্ক চাহাবৰ প্ৰতি আকৰ্ষিত হৈছে। আনকি দৈহিক সুখ বিচাৰিও তাই মাৰ্ক চাহাবৰ ঘৰত তিতি-বুৰি উপস্থিত হৈছে। কিন্তু সেয়ে হ'লেও গিৰিবালা চৰিত্ৰই জ্বলন্ত জুইত আত্মজাহ দিবলগীয়া ঘটনাটো নিতান্তই কৰুণ। তথাপি **এগৰাকী নাৰী হিচাপে মনৰ গোপন কামনা-বাসনা তাই নিঃসংকোচে ব্যক্ত কৰিছে আৰু অতি সাহসিকতাৰে সামন্তবাদী সমাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে।**

সত্ৰীয়া নিয়মানুসৰি এই পৰিয়ালবোৰত নাৰীয়ে স্বাধীনতা নাপায় যদিও ইন্দ্ৰনাথৰ খুড়ীয়েক **সৰু গোসাঁনীয়ে সময়ৰ সৈতে যুঁজি যুঁজি প্ৰাপ্য অধিকাৰ** সাব্যস্ত কৰিছে। মানুহৰ সমালোচনা আৰু সত্ৰীয়া পৰম্পৰাক আওকাণ কৰি তেওঁ এজন পৰপুৰুষক নিজৰ ঘৰত আশ্ৰয় দিছে।

'কিন্তু তেওঁ সমাজৰ ঊৰ্দ্ধত যাব পৰা নাই। নিজকে সংযত কৰিছে। মনলৈ আত্মগ্লানিৰ

ভাব আহিছে। এই মহীধৰ বাপুৰ প্ৰতি এটা আত্মীয় টান অনুভৱ কৰিছে যে কোনোবাই যদি মহীধৰ বাপুৰ বিৰুদ্ধে এষাৰো কথা কৈছে তেওঁৰ নিজৰ গাৰ ছালখনকে বখলিয়াই পেলোৱা যেন লাগিছে। কিন্তু এনেধৰণৰ শাৰীৰিক-মানসিক টান অনুভৱ কৰা সত্ত্বেও তেওঁ গিৰিবালাৰ দৰে অদ্ভুত সাহস দেখুওৱা নাই।'[৪]

মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ প্ৰায় আটাইবোৰ উপন্যাসতে নাৰীচেতনাৰ দিশটো চুই গৈছে। নাৰীৰ স্বাভাৱিক কামনা-বাসনা, জৈৱিক তাড়না, মানসিক সহানুভূতি আদি তেওঁ উপন্যাসসমূহত মূৰ্ত কৰি তুলিছে।

ঔপন্যাসিকে **'মামৰে ধৰা তৰোৱাল'** নামৰ উপন্যাসখনিৰ নাৰী চৰিত্ৰকেইটিৰ মাজেৰে **পেটৰ ভোক আৰু যৌনক্ষুধা,** এই দুয়োধৰণৰ তাড়নাৰ কথাকে প্ৰতিফলিত কৰিছে। এই উপন্যাসৰ নাৰীসকলে কেৱল পেটৰ ভোকৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণেই যে পুৰুষৰ ওচৰত দেহ অৰ্পণ কৰিছে এনে নহয়; **নাৰায়ণীৰ দৰে চৰিত্ৰই নিজৰ বেমাৰী স্বামীয়ে যৌন সুখ দিব নোৱাৰাৰ বাবেও স্ব-ইচ্ছাই নিজকে ভোগৰ সামগ্ৰী হিচাপে আগবঢ়াই দিছে।**

**'অহিৰণ'** উপন্যাসখনৰ **'নিৰ্মলা'** নামৰ নাৰীগৰাকীয়ে স্বামীৰ মৃত্যুৰ পিছত নিজকে ব্যস্ত ৰাখিবলৈ **কৰ্মজগতত ব্যস্ত হৈ থাকি জীৱনৰ নতুন অৰ্থ বিচাৰিছে।** কিন্তু সেই কৰ্মক্ষেত্ৰখনৰ পৰা তাই কোনোধৰণৰ প্ৰেৰণা লাভ কৰিবলৈ সক্ষম নহ'ল। নিঃসংগতা দূৰ কৰিবলৈ তাই তাইৰ আদৰ্শ পুৰুষজনক বিচাৰি হাবাথুৰি খাইছে আৰু নিজে গঢ়া সম্পৰ্কবোৰ এটা এটাকৈ নিজে ধ্বংস কৰি পেলাইছে।

**ড° মামণি ৰয়ছম গোস্বামীৰ আটাইবোৰ উপন্যাসতে প্ৰধানকৈ শ্ৰমিক শ্ৰেণী আৰু নাৰীয়ে প্ৰাধান্য পাইছে।** বিশেষকৈ **সংৰক্ষণশীল সমাজত নাৰীৰ যি স্থান সেয়া তেওঁ প্ৰাঞ্জলভাৱে চিত্ৰিত কৰিছে।** নাৰীচেতনাৰ বিভিন্ন দিশ তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰবোৰৰ মাজেৰে সাৱলীল ৰূপত পৰিস্ফুট হৈছে।

বিংশ আৰু একবিংশ এই দুয়োটা শতিকাতে নিজৰ সৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ ৰাখি থৈ যোৱা **পূৰৱী বৰমুদৈৰ** প্ৰথমখন উপন্যাস হ'ল — **'গজৰাজ, প্ৰেম আৰু বন্দীত্ব'** (১৯৯৯)। মহাযুদ্ধই জোকাৰি যোৱা সময়ৰ পটভূমিত তেওঁ ২০০০ চনত **'বাঘশাল, বাঘজাল আৰু মানুহ'** নামৰ উপন্যাসখন ৰচনা কৰিছে। এই উপন্যাসত ঔপন্যাসিকে বিমলাবালা দেৱী আৰু

প্ৰমীলাবালা দেৱী নামৰ চৰিত্ৰ দুটাৰ জৰিয়তে **স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা**ৰ লগতে ইয়াৰ লাভালাভৰ কথাও ব্যক্ত কৰিছে। **'শান্তনুকুলনন্দন'**, **'নিৰ্বাচিত ঔপন্যাসিকা'**, **'পৰম পূজনীয় আৰু দুখন ঔপন্যাসিকা'**, **'ৰূপোৱালী নৈৰ সোণোৱালী ঘাট'**, **'এটা আলিবাটৰ ইতিকথা'** ইত্যাদি পূৰবী বৰমুদৈৰ অন্যান্য উপন্যাস।

**'মৃগনাভি'** নামৰ উপন্যাসখনৰ জৰিয়তে বিশেষভাৱে ঔপন্যাসিক হিচাপে পৰিচিতি লাভ কৰা **অৰূপা পটঙ্গীয়া কলিতা**ৰ আন দুখন বিশিষ্ট উপন্যাস হৈছে— **'অয়নান্ত'** (১৯৯৪) আৰু **'ফেলানী'** (২০০৩)।

১৯৮৭ চনত প্ৰকাশ পোৱা **'মৃগনাভি'** নামৰ উপন্যাসখনত এগৰাকী সংবেদনশীল নাৰীৰ সপোন, আকাংশা আৰু নিৰ্মম বাস্তৱৰ সৈতে তেওঁ মুখামুখি হোৱাৰ কথা বৰ্ণনা কৰা হৈছে। **'সোণতৰা'** নামৰ এগৰাকী সংবেদনশীল যুৱতীৰ স্বপ্নভংগ আৰু তাৰ সমাধিতেই পুনৰ কাহিনীৰ আৰম্ভণি ঘটিছে। অকালতে নিজৰ স্বামীক হেৰুৱাই বৈধব্য যন্ত্ৰণাত ছটফটাই থকা সোণতৰাই পৰৱৰ্তী সময়ত সহকৰ্মী আদিত্য আৰু পুত্ৰ সোণমণিৰ চেষ্টাত স্বাভাৱিক জীৱন ঘূৰাই পায়। পিছত পুতেক সোণমণিৰ সন্মতি অনুসৰি আদিত্যৰ সৈতে এটি নতুন জীৱনৰ পাতনি মেলে। **এগৰাকী নাৰীয়ে জীৱনত বিচাৰে কি আৰু পায় কি** এই প্ৰসংগৰ পটভূমিতে এই উপন্যাসখন ৰচিত।

ঊনবিংশ শতিকাৰ পৰা বিংশ শতিকাৰ প্ৰায় মাজভাগলৈকে এক বিশাল সময়ৰ প্ৰেক্ষাপটত অৰূপা পটঙ্গীয়া কলিতাৰ **'অয়নান্ত'** নামৰ উপন্যাসখন ৰচিত হৈছে। **নাৰীৰ অৱস্থিতি, মৰ্যাদা আৰু আত্মপ্ৰতিষ্ঠাৰ বিস্তৃত** কাহিনী এই উপন্যাসখনিত প্ৰতিফলিত হৈছে। ইয়াৰ উপৰি স্বাধীনতাৰ পূৰ্বৰ অসমৰ সামাজিক আৰু ৰাজনৈতিক পটভূমিৰ কথাও উপন্যাসখনিত চিত্ৰিত হৈছে।

**'বীণা'** নামৰ নাৰী চৰিত্ৰটিৰ **শৈশৱ, কৈশোৰ, যৌৱন আৰু প্ৰৌঢ়ত্বৰ নানা ঘাত-প্ৰতিঘাতৰ ছবি** উপন্যাসখনিত অংকিত হৈছে। বীণা ইয়াত এটি প্ৰতিবাদী চৰিত্ৰৰ ভূমিকাত অৱতীৰ্ণ হৈছে। চাহাবে মংলুক চাবুকেৰে প্ৰহাৰ কৰা কথাৰ তাই প্ৰতিবাদ কৰিছে। তাইৰ সাহসী আৰু প্ৰতিবাদী কাৰ্য-কলাপত চিন্তিত হৈ মাক-দেউতাকে মোমায়েকৰ ঘৰলৈ লৈ গৈছে যদিও ককাক নন্দ বৰুৱাক সেৱা কৰিবলৈ কোৱাত তাই প্ৰশ্ন কৰিছে— 'মানুহকনো কিয় সেৱা কৰিব লাগে?' এইয়া তাইৰ পৰম্পৰাবিৰোধী মনৰ পৰিচায়ক। নন্দ বৰুৱাৰ তত্ত্বাৱধানত তাই ডাঙৰ হ'বলগীয়া হোৱাত

পুৰুষতান্ত্ৰিক সমাজৰ নীতি-নিয়মবোৰ তাইৰ ক্ষেত্ৰত প্ৰযোজ্য হ'বলৈ ধৰিলে। পুৰুষপ্ৰধান সমাজৰ ধ্যান-ধাৰণা আৰু বাধা-নিষেধবোৰ তাইৰ ব্যক্তিত্ব তথা মানসিক বিকাশৰ ক্ষেত্ৰত অন্তৰায় স্বৰূপ হৈ উঠিল। সমাজ, ধৰ্ম আৰু নীতি-নিয়মৰ দোহাই দি 'বীণা' নামৰ কণমানি ছোৱালীজনীয়ে পদে পদে হৃদয়ৰ ভাবনাক অৱদমিত কৰি ৰাখিলেও বা মস্তিষ্কৰ প্ৰেৰণা নিৰুৎসাহিত হ'লেও তথাকথিত সমাজৰ অভিযোগৰ পৰা তাই মুক্ত হ'ব নোৱাৰিলে।

সমসাময়িক সমাজত নাৰীৰ প্ৰতি সমাজৰ মনোভাব আৰু সীমাবদ্ধতাক দূৰীভূত কৰিবলৈ আইতাকৰ লগ লাগি তাই বিদ্ৰোহ কৰিছে আৰু এগৰাকী মানসিক বিকাৰগ্ৰস্তা নাৰী ৰুমা বাইদেউৰ অবৈধ সন্তান তগৰক তুলি তালি ডাঙৰ-দীঘল কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ উপৰি কেৱল চিনেমা কৰাৰ বাবেই সমাজবৰ্জিত জেউতিলৈকো তাই সহায়ৰ হাত আগবঢ়াইছে।

কিন্তু সকলোৰে ক্ষেত্ৰত বীণাই প্ৰতিবাদী কণ্ঠস্বৰ সবল ৰূপত দাঙি ধৰিলেও লম্পট জয়ন্ত চলিহাৰ সৈতে ঠিক হোৱা তাইৰ **বিয়াখন সমাজৰ চিৰাচৰিত ধ্যান-ধাৰণাবোৰৰ বাবেই ভাঙি দিব নোৱাৰিলে।**

**"সমাজৰ অনুশাসনত এনেদৰে শৃংখলিত এগৰাকী নাৰীৰ অধিকাৰ, স্বাধীনতা, ব্যক্তিত্ব, অস্তিত্ব সমস্ত সত্তা ধূলিসাৎ হৈছে পুৰুষৰ প্ৰতিনিধিস্বৰূপ স্বামীৰ বাক্যবাণত। তথাপিও কিন্তু তাই হাৰ মনা নাই। শৈশৱৰে পৰা পদে পদে কেৱল বাধাৰ সন্মুখীন হৈ অহা বীণাই কোনো মুহূৰ্ততে ৰণচণ্ডী মূৰ্তি ধাৰণ কৰা নাই, সংযম হেৰুওৱা নাই আৰু কাৰো প্ৰতি অমাৰ্জিত আচৰণো প্ৰদৰ্শন কৰা নাই। কিন্তু প্ৰতিবাদ তাই কৰিছে। নীৰৱে, কৌশলেৰে।"**[৫]

সেয়েহে সামাজিক অনুশাসনৰ বাঘজৰীত তাই বেছিদিন আবদ্ধ হৈ নাথাকিল। পৰৱৰ্তী সময়ত স্বামীৰ লালসাৰ বলি হোৱা তগৰক সংগ দিবলৈ আৰু অন্যায়ৰ প্ৰতিবাদ কৰি বীণাই তগৰক লৈ চলিহাৰ সংসাৰ ত্যাগ কৰিছে। কন্যাসম তগৰৰ ওপৰত গিৰিয়েকে কৰা জঘন্য কাণ্ডক বীণাই সহ্য কৰিব নোৱাৰিলে। সমগ্ৰ পুৰুষ জাতি আৰু সংসাৰৰ প্ৰতি তাইৰ বিতৃষ্ণা আৰু ঘৃণা জাগি উঠিল। যিহেতুকে তগৰে নিজে ইচ্ছা কৰি জয়ন্ত চলিহাৰ লগত সংগমত লিপ্ত হোৱা নাই, সেয়েহে তগৰে নিজকে 'অশুচি' বুলি মানি লোৱা নাই।

**'এইখিনিতে বীণাৰ লগতে তগৰ চৰিত্ৰটিৰ মাজেৰে নাৰীবাদী চেতনা প্ৰকাশ পাইছে। এই চেতনাৰ মাজত নিহিত হৈ আছে অনাগত সময়ৰ পৰিৱৰ্তনৰ সূচনা। বীণাই বাপুটিৰ হাতত ঘৰৰ**

**চাবি-কাঠী দি চিৰদিনৰ বাবে পতিগৃহৰ পৰা গুচি গ'ল এখন নিকা সমাজ বিচাৰি। এইফালৰ পৰা বীণা এটা সাৰ্থক নাৰীবাদী চৰিত্ৰ হিচাপে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে।'**[৬]

'অয়নান্ত' উপন্যাসখন নাৰীচেতনাৰ একনৱমূল্যায়নস্বৰূপ। শৈশৱ কালৰে পৰা প্ৰতিবাদ কৰিবলৈ শিকা বীণাই জীৱনৰ শেষ সময়লৈকে প্ৰতিবাদ সাব্যস্ত কৰি গৈছে। প্ৰথাগত নাৰী মুক্তিৰ কথা উপন্যাসখনিত প্ৰতিধ্বনিত হৈছে। পুৰুষশাসিত সমাজ ব্যৱস্থাৰ বিৰোধিতা কৰি চিৰাচৰিত ৰীতি-নীতি আৰু সমাজ ব্যৱস্থাৰপৰা ওলাই আহি এখন সম-অধিকাৰৰ সমাজ গঢ়াৰ সপোন বীণাৰ চৰিত্ৰৰ মাজেদি ৰূপায়িত হৈছে। ইয়াৰ মাজতে নিজৰ সন্তানৰ প্ৰতি মাকৰ থাকিবলগীয়া মৰমখিনিও বীণাৰ চৰিত্ৰটোত প্ৰকাশিত হৈছে। নিজ সন্তানৰ প্ৰতি মাতৃৰ মমতাময়ী ৰূপৰ চিত্ৰণ নাৰীচেতনাৰে এক অনন্য ৰূপ। কিন্তু সেয়ে হ'লেও তাই পুত্ৰ তথা পৰিয়ালৰ প্ৰতি থকা মোহকো নীৰৱে হৃদয়ত গাপ দি ৰাখি স্বামীৰ সন্মুখত প্ৰতিবাদী আৰু স্থিতপ্ৰজ্ঞ ৰৈ ৰৈছে।

অসম আন্দোলনৰপৰা আৰম্ভ কৰি আলফাৰ বিপ্লৱ আৰু বড়োলেণ্ড বিভাজনৰ আন্দোলনত অসমৰ সন্ত্ৰাসজৰ্জৰ সমাজজীৱনৰ প্ৰায় কুৰিটা বছৰৰ অভিশপ্ত দিনবোৰৰ ছবি **'ফেলানী'** (২০০৩) নামৰ উপন্যাসখনিত অৰূপা পটঙ্গীয়া কলিতাই উজ্জ্বল কৰি তুলিছে। এই আন্দোলন আৰু বিপ্লৱবোৰে যে খাটিখোৱা মানুহবোৰৰ জীৱন পৰিক্ৰমা বিপৰ্যস্ত কৰি তুলিছিল তাৰ প্ৰমাণ উপন্যাসখনিৰ মাজত বিদ্যমান। ঔপন্যাসিকে 'ফেলানী'ক মুখ্য চৰিত্ৰ হিচাপে ল'লেও মণি, নবীন, জগু, মিনতি, কুৰ্লী বুঢ়ী, ৰত্না, বুলেন, জোনৰ মাক আদিকো সমাজত বসবাস কৰা একো একোটা চৰিত্ৰৰ ৰূপত অংকন কৰিছে, যিবোৰৰ জীৱন নানানটা সমস্যাৰে ভাৰাক্ৰান্ত। **'ফেলানী' চৰিত্ৰটি উপন্যাসখনিত সমাজৰ নিম্নস্তৰৰ প্ৰতিনিধিস্থানীয়। এই চৰিত্ৰটিক ঔপন্যাসিকে আধুনিক পৃথিৱীৰ নাৰী সমাজৰ সমস্ত দৃঢ়তা আৰু শক্তিৰ প্ৰতিভূৰূপে অংকিত কৰিছে। তাই মন আৰু শৰীৰৰ সমস্ত শক্তিৰে নিজৰ একমাত্ৰ পুত্ৰটিক ডাঙৰ কৰিছে। নিজ সামৰ্থ্য অনুযায়ী পুলিচ-মিলিটেৰীৰ হাতৰ পৰা গাঁৱৰ মানুহখিনিক উদ্ধাৰ কৰিছে আৰু নাৰীত্বৰ মমতাৰে বিদ্ৰোহী বুলেনৰ পাগলী পত্নীক চোৰা-চিতা কৰিছে।**

সন্ত্ৰাসবাদীক বিচাৰি নিৰাপত্তাবাহিনীৰ সাধাৰণ মানুহৰ ওপৰত যি অত্যাচাৰ সেয়াও 'ফেলানী'ত প্ৰতিফলিত হৈছে। ফেলানীয়ে স্পষ্টভাৱে কৈছে—

'মোৰ নিজৰ পোছাক হ'ল গা ঢাকিব পৰা কাপোৰ এখন। মোক সুকীয়া

কাপোৰ নালাগে, সুকীয়া ৰাজ্যও নালাগে। এখন পিন্ধি, এমুঠি খাই থাকিব পাৰিলেই হ'ল।'[৭]

এই উপন্যাসখনিত প্ৰধানকৈ সামাজিক দায়বদ্ধতাৰ দিশটোৰেই অংকিত হৈছে। হত্যা-হিংসা-বিপ্লৱে তথা ন্যস্তস্বাৰ্থ জড়িত আন্দোলনে যে জনসাধাৰণৰ কল্যাণ সাধন কৰিব নোৱাৰে এইয়া 'ফেলানী'ৰ প্ৰতিটো চৰিত্ৰই মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিছে। ইয়াৰ প্ৰতিটো চৰিত্ৰৰ মাজতে সহমৰ্মিতাৰ চিত্ৰ উদ্ভাসিত হৈছে। উপৰুৱা দৃষ্টিৰে চালে 'ফেলানী' উপন্যাসৰ প্ৰতিটো নাৰী চৰিত্ৰতেই পৰম্পৰাগত অসমীয়া নাৰীৰ বৈশিষ্ট্য বৰ্তমান। কিন্তু জীৱন যুদ্ধত সিহঁতক সদায় লাস্যময়ী, আৱেগপ্ৰৱণ আৰু কল্পনাপ্ৰৱণ ৰূপতে দেখা নাযায়। প্ৰয়োজন নহ'লে সিহঁতে আকাশত উৰি নাথাকি সমাজ আৰু পাৰিপাৰ্শ্বিকতাৰ বিৰুদ্ধে যুঁজিছে। সিহঁতৰ হৃদয়ত পালিত **নাৰীচেতনাই সিহঁতৰ অস্তিত্ব আৰু চেতনাক জাগ্ৰত কৰি তুলিছে।**

১৯৮১ চনত **'অবিৰত যাত্ৰা'**ৰ জৰিয়তে উপন্যাস ৰচনাৰ কাম হাতত লোৱা **ৰীতা চৌধুৰী**য়ে ১৯৭৯ চনৰপৰা ১৯৮৫ চনলৈ অসমত চলা বিদেশী বিতাড়নৰ আন্দোলনৰ পটভূমিত বহুকেইখন উপন্যাস ৰচনা কৰিছে। আন্দোলনৰ সংগ্ৰামময় দিনৰ চিত্ৰ, পুলিচৰ নিষ্ঠুৰ নিৰ্যাতন, অগ্নিসংযোগ, বোমা বিস্ফোৰণ, গুলীয়াগুলী এই সকলোবোৰ দিশেই ৰীতা চৌধুৰীৰ উপন্যাসবোৰত স্থান লাভ কৰিছে। পটভূমি যিয়েই নহওক লাগিলে চৌধুৰীৰ আটাইকেইখন উপন্যাসৰে কেন্দ্ৰীয় চৰিত্ৰ কিন্তু নাৰী। **ঔপন্যাসিকে তেওঁৰ উপন্যাসসমূহত নাৰীক অবাধ স্বাধীনতা দিয়া দেখা গৈছে। তেওঁৰ উপন্যাসৰ নাৰী চৰিত্ৰসমূহ স্ব-মহিমাৰে উজ্জ্বল**। তেওঁৰ উপন্যাসৰ প্ৰতিগৰাকী নাৰীয়েই অপৰিসীম গুণৰ অধিকাৰী।

**'অবিৰত যাত্ৰা'**ৰ পিছত **'তীৰ্থভূমি', 'মহাজীৱনৰ আধাৰশিলা', 'পপীয়া তৰাৰ সাধু', 'জলপদ্ম', 'হৃদয় নিৰুপায়', 'দেওলাংখুই', 'মাকাম', 'এই সময় সেই সময়', 'ৰাজীৱ ঈশ্বৰ', 'মায়াবৃত্ত', 'ৰাগ মালকোশ'** আদি অসংখ্য উপন্যাস ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চৌধুৰীয়ে মজবুত কৰি তোলে। **চৌধুৰীয়ে এই আটাইবোৰ উপন্যাসতে নাৰীক এখন বিশেষ আসন প্ৰদান কৰিছে।**

**'এগৰাকী নাৰীৰ মাজত লুকাই থকা মমতা, মহত্ত্ব, অনুভূতিপ্ৰৱণতা, সততাক ঔপন্যাসিকগৰাকীয়ে অতি সহানুভূতি আৰু সহৃদয়তাৰে অংকন কৰিছে। অতি সূক্ষ্ম দৃষ্টিভংগী নিক্ষেপ কৰি ৰীতা চৌধুৰীয়ে উপন্যাসৰাজিৰ নাৰী চৰিত্ৰসমূহ অংকন কৰিবলৈ যাওঁতে প্ৰতিটো**

**চৰিত্ৰৰ সৈতে তেওঁ নিজে একাত্ম হৈ পৰিছে। যাৰ বাবে সেই প্ৰতিটো নাৰী চৰিত্ৰৰ বুকুত যেন ৰীতা চৌধুৰী নিজেই লুকাই আছে এনে অনুভৱ হয়।”**[৮]

‘মহাজীৱনৰ আধাৰশিলা’ৰ বৰষা; ‘জলপদ্ম’ৰ কল্যাণী’, ‘ৰাগ মালকোশ’ৰ মালা; নয়না তৰালি সুজাতা’ৰ নয়না, তৰালী আৰু সুজাতা’, ‘পপীয়া তৰাৰ সাধু’ৰ অৰ্পনা বাইদেউ, জেউতি আদি চৰিত্ৰবোৰ মানৱীয় অনুভূতি তথা সহানুভূতিৰে পৰিপূৰ্ণ মমতাময়ী নাৰী। ইয়াৰ উপৰি ‘দেওলাংখুই’ৰ কনচাৰী, ‘এই সময় সেই সময়’ৰ অদিতি, ‘মাকাম’ৰ মেইলিন আদিত নাৰীৰ স্বকীয় ব্যক্তিত্ব আৰু মানৱীয় মমতা প্ৰতিবিম্বিত হৈছে।

**‘দেওলাংখুই’ উপন্যাসৰ ‘কনচাৰী’** চৰিত্ৰই মৌনতাৰে প্ৰতিবাদ চলাই যোৱা আৰু জীৱনৰ চৰম দুৰ্ভাগ্যজনক অৱস্থাতো নিজৰ মনক স্থিৰ কৰি ৰাখি আনক বুজনি দিবলৈ সক্ষম হোৱাৰ পৰা **তেওঁৰ শক্তিশালী নাৰীমনৰ পৰিচয়** পোৱা যায়। নাৰী শক্তিৰ মহানতা আৰু সুপ্ৰভাৱৰ ফলত এখন সমাজ কিদৰে নতুন জ্যোতিৰে জ্যোতিষ্মান হ’ব পাৰে, সেই কথা উপন্যাসখনিত বিবৃত হৈছে। **‘ৰাজীৱ ঈশ্বৰ’ উপন্যাসত ‘মন্দিৰা’ই বিবাহপূৰ্ব সন্তানৰ প্ৰতি মনত পুহি ৰখা মমতাৰ সজীৱ চিত্ৰ ৰূপায়িত হৈছে**। **‘এই সময় সেই সময়’** উপন্যাসত **‘অদিতি’** চৰিত্ৰই দুজনী জীয়ৰী কস্তুৰী আৰু কাজৰিক লৈ জীৱনযাত্ৰা চলাই লৈ গৈ আছে।

**‘মায়াবৃত্ত’** উপন্যাসত ৰীতা চৌধুৰীয়ে **‘পুতি’** বা **‘নীৰা’ৰ জীৱনৰ সুখ-দুখ তথা ভোগ-বিলাসিতাৰ উপৰি নাৰীৰ যে ইচ্ছাৰ এখন বেলেগ পৃথিৱী থাকিব পাৰে** সেই কথা প্ৰতিপন্ন কৰিছে।

**‘পপীয়া তৰাৰ সাধু’** উপন্যাসত চৌধুৰীয়ে **সাহিত্য আৰু সাংবাদিকতাৰ লগত জড়িত মানৱীয় চেতনাহীন** এচাম মানুহৰ কৰ্মকাণ্ডক অতি সফলতাৰে দাঙি ধৰিছে। উপন্যাসখনিত সাহিত্য তথা সাংবাদিকতাৰ আঁৰত অতি সংগোপনে লুকাই থকা এচাম অতিশয় কদাচিত চৰিত্ৰৰ মানুহৰ কৰ্মকাণ্ডক বিশেষভাৱে চিত্ৰিত কৰা হৈছে। উপন্যাসখনিত সুবিধাবাদী পৃথিৱীৰ তথাকথিত ডাঙৰ মানুহবোৰৰ হাতত জীৱনৰ সৰ্বস্ব আনকি প্ৰাণ পৰ্যন্ত হেৰুৱাবলগীয়া হোৱা এগৰাকী গাভৰুৰ দুখজনক জীৱনগাথা আলোচিত হৈছে।

**ৰীতা চৌধুৰীৰ প্ৰায় আটাইবোৰ উপন্যাসৰে মুখ্য চৰিত্ৰ নাৰী। নাৰী চৰিত্ৰসমূহে বিপ্লৱী কণ্ঠেৰে সৰ্বদায় প্ৰতিবাদ নকৰিলেও নীৰৱ প্ৰতিবাদ এই চৰিত্ৰবোৰত সদায় বৰ্তমান। ইয়াৰ নাৰীৰ**

**স্বাধীনচিতীয়া মনোভাব, মমতাময়ী মাতৃৰূপ, নানান অপমানেৰে জৰ্জৰিত হৈ পুনৰ ঠন ধৰি উঠা ৰূপ আৰু নাৰী হিচাপে এগৰাকী নাৰীৰ কৰণীয় কৰ্তব্য সকলোখিনিয়েই চৌধুৰীৰ উপন্যাসত স্থান লাভ কৰিছে।**

**'হৃদয় এক বিজ্ঞাপন', 'কাঞ্চন', 'চাহেব পুৰাৰ বৰষুণ', 'মেৰেং', 'সোণহৰিণৰ চেঁকুৰ'** আদি উপন্যাস ৰচনাৰে অসমীয়া সাহিত্যজগতত এখন বিশিষ্ট আসন লাভ কৰা ঔপন্যাসিকগৰাকী হৈছে **অনুৰাধা শৰ্মা পূজাৰী। তেওঁৰ প্ৰত্যেকখন উপন্যাসৰে কাহিনী, পটভূমি আৰু চৰিত্ৰ চিত্ৰণত নতুনত্ব প্ৰত্যক্ষ কৰা যায়।**

**'হৃদয় এক বিজ্ঞাপন'**ত ঔপন্যাসিকে **শিক্ষিতা নাৰীৰ এটা অচিনাকি ৰূপ** পাঠকৰ সন্মুখত দাঙি ধৰিছে। জীৱিকা অৰ্জনৰ বাবে শিক্ষিতা নাৰীয়েও যে দেহদানৰ দৰে নিকৃষ্ট বৃত্তিত নামিবলগীয়া হয় সেয়া এই উপন্যাসখনিৰ অধ্যয়নৰ পৰা জানিব পাৰি। **'কাঞ্চন'** নামৰ উপন্যাসখনত **নাৰীৰ অসহায় ৰূপ চিত্ৰণৰ লগতে নিজৰ ইচ্ছাৰ বিৰুদ্ধে কু-কৰ্মত পতিত হোৱা এগৰাকী নাৰীয়ে মগজুৰ ভাৰসাম্য হেৰুওৱাৰ কথা পোৱা যায়। 'চাহেবপুৰাৰ বৰষুণ'**ৰ প্ৰধান চৰিত্ৰ **'বৰ্ষা'**ৰ মাজেৰে যি নাৰীচেতনা প্ৰকাশ পাইছে, সেয়া অসমীয়া উপন্যাস সাহিত্যত সম্পূৰ্ণ নতুন।

**'কাহিনী আৰু পটভূমিৰ ক্ষেত্ৰত নতুনত্বৰ দাবী কৰিব পৰা প্ৰধান নাৰী চৰিত্ৰ বৰ্ষাৰ জৰিয়তে অসমীয়া উপন্যাস সাহিত্যত এগৰাকী নতুন নাৰীৰ উপস্থিতিৰ সম্ভাৱনাক জীৱন্ত কৰিছে।'**[৯]

ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰীয়ে বৰ্ষাৰ চৰিত্ৰক উজ্জ্বল, সাহসী আৰু স্পষ্টবাদী ৰূপত গঢ়ি তুলিছে। হ'বলগীয়া স্বামীৰ কথা নুশুনি নিজৰ বিবেকক আগস্থান দিয়া বৰ্ষা প্ৰান্তিকৰ চকুত চৰিত্ৰহীনা হ'লেও পুৰুষশাসিত সমাজ-ব্যৱস্থাৰ এলান্ধুকলীয়া নীতি-নিয়মবোৰ ভাঙিবলৈ বৰ্ষাৰ দৰে চৰিত্ৰৰ নিশ্চয় প্ৰয়োজন আছে।

সাম্প্ৰতিক কালৰ এগৰাকী বলিষ্ঠ তথা জনপ্ৰিয় ঔপন্যাসিক হৈছে **মণিকুন্তলা ভট্টাচাৰ্য**। ২০০৪ চনত এইড্ছৰ ওপৰত লিখা তেওঁৰ **'সন্ধ্যা'** নামৰ উপন্যাসখন প্ৰকাশ পায়। তেওঁৰ অন্যান্য উপন্যাসসমূহ হৈছে— **'অৰুন্ধতী', 'মুক্তি', 'চামিয়ানা', 'দস্তখত', 'মই ডেচডিম'না হ'ব খোজো', 'দেৱবালা', 'যমুনা', 'বাঁহী', 'ভিভিয়ানৰ লিলি'**ইত্যাদি। **'মুক্তি'** উপন্যাসখনিত **সমকামিতাৰ** বিষয়ে পোৱা যায়। **'চামিয়ানা'** হৈছে **ডাইনী সমস্যা**ৰ ওপৰত লিখা উপন্যাস। **ভ্ৰাম্যমাণ থিয়েটাৰৰ** বিষয়বস্তুৰে তেওঁ ২০০৮ চনত **'মই ডেচডিম'না হ'ব খোজো'** নামৰ উপন্যাসখন ৰচনা কৰে।

এগৰাকী **সন্তানহীনা নাৰীৰ অন্তৰৰ মৰ্মবেদনা** খুব দুঃখদায়কভাৱে **'বৰদোৱানী'** নামৰ উপন্যাসখনিত বৰ্ণিত হৈছে। নিজে স্বামী পুণ্যধৰক এটা সন্তান দি বংশ ৰক্ষা কৰিব নোৱাৰাৰ কাৰণে নিজেই জোৰ কৰি ৰেণুক পুণ্যধৰৰ লগত বিয়া পাতি দিছে। ৰেণু মাক হ'বলৈ ওলোৱাত মাকৰ দৰেই ৰেণুৰ যতন লৈছে। ৰেণুক কোনোদিনেই সতিনী বুলিও গণ্য কৰা নাই। তথাপি বাহিৰত স্থিতপ্ৰজ্ঞ হৈ ৰ'লেও কেতিয়াবা নাৰীৰ স্বভাৱজাত অনুভূতিত তাই ধৰাশায়ী হৈ পৰিছে। নানান দুখ-যন্ত্ৰণা, অপমান আৰু অভিমানত জৰ্জৰিত হৈও তাই পুণ্যধৰ আৰু ৰেণুৰ সন্তানক মাতৃত্বৰ মৰমেৰে আঁকোৱালি ধৰি সিহঁতক লালন-পালন কৰি ডাঙৰ-দীঘল কৰিছে। প্ৰয়োজন সাপেক্ষে সিহঁতক শাসনো কৰিছে। ডকাইতৰ হাতত নিহত হোৱা লক্ষ্যৰ বাবে মাক ৰেণু মানসিক বিকাৰগ্ৰস্ত হোৱাত ৰেণুৰ যত্ন লোৱাতো বৰদোৱানীয়ে কৃপণালি কৰা নাই। ৰেণুৰ জীয়েক কান্তাক পঢ়াই-শুনাই ডাঙৰ মানুহ কৰাৰ সপোন দেখিছে।

এগৰাকী নাৰীৰ মাজত পৰিয়ালৰ প্ৰতি থাকিবলগীয়া **কৰ্তব্যনিষ্ঠা, দায়িত্ব পালনৰ সচেতনতা, নিজে দুখত থাকিও আনৰ মুখত হাঁহি বিৰিঙাবলৈ চেষ্টা কৰাৰ মানসিকতা** ইত্যাদি নাৰীভাবনাৰ বহুবোৰ দিশেই 'বৰদোৱানী' উপন্যাসত ঔপন্যাসিকে প্ৰতিবিম্বিত কৰিছে।

ওপৰত উল্লিখিত মহিলা ঔপন্যাসিকসকলৰ উপৰি **ৰত্না দত্ত, মাইনী মহন্ত, বন্দিতা ফুকন, অৰ্চনা পূজাৰী, নীলিমা ঠাকুৰীয়া হক, ৰুমী লস্কৰ বৰা, চন্দনা পাঠক, জুৰি বৰা বৰগোহাঞি, ড° মালিনী** আদিৰ উপন্যাসবোৰতো কম-বেছি পৰিমাণে নাৰীচেতনাৰ দিশটোৱে মূৰ দাঙি উঠিছে। এইখিনিতে এটা কথা উল্লেখনীয় যে **কেৱল নাৰীয়ে লিখা উপন্যাসতে নহয়, পুৰুষ লেখকসকলৰ দ্বাৰা ৰচিত উপন্যাসসমূহতো নাৰীচেতনাৰ নানান দিশ প্ৰকাশিত হৈছে। পদ্মনাথ গোহাঞিবৰুৱা, ৰজনীকান্ত বৰদলৈ, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, বীণা বৰুৱা, ভবেন্দ্ৰ নাথ শইকীয়া, চৈয়দ আব্দুল মালিক, দণ্ডিনাথ কলিতা, দৈবচন্দ্ৰ তালুকদাৰ** আদি পুৰুষ ঔপন্যাসিকসকলৰ উপন্যাসতো নাৰীয়ে বিভিন্ন ধৰণে নিজৰ কণ্ঠ উজলাই তুলিছে। আমাৰ গৱেষণা-কৰ্মত এই বিষয়ক আলোচনা কৰাৰ সুৰুঙা নথকাত ইয়াৰ আলোচনাৰ পৰা বিৰত থকা হ'ল।

সাম্প্ৰতিক সময়ৰ সাহিত্যসমূহত দ্বন্দ্ব আৰু সংঘাতেৰে পৰিপূৰ্ণ নাৰীৰ জীৱন-কাহিনীয়ে এক নতুন ৰূপ পৰিগ্ৰহ কৰিছে। পাশ্চাত্য সাহিত্যৰ নাৰীবাদৰ ধাৰণাই শেহতীয়াকৈ অসমীয়া সাহিত্যতো স্থান লাভ কৰিছে। নাৰীমনৰ ক্ষোভ আৰু অন্যায়ৰ প্ৰতিবাদ নাৰী চৰিত্ৰবোৰৰ জৰিয়তেই

সম্পন্ন কৰা হৈছে। পুৰুষশাসিত সমাজ-ব্যৱস্থাত যিবোৰ সমস্যাক সমস্যা বুলি কোনোকালেই গণ্যই কৰা হোৱা নাছিল, সেইবোৰক বিচাৰি আনি সাহিত্যৰ জৰিয়তে মানুহৰ মাজলৈ উলিয়াই পঠিওৱা হৈছে। তদুপৰি পৰম্পৰাৰ দোহাই দি যিবোৰ অন্যায় আৰু অবিচাৰ নাৰী জাতিৰ ওপৰত ন্যস্ত কৰা হৈ আছিল, সাম্প্ৰতিক সাহিত্যত সেইবোৰৰ নিন্দা কৰা হৈছে। আমাৰ আলোচ্যমান মহিলা ঔপন্যাসিকসকলৰ উপন্যাসবোৰত এইবোৰৰ সফল ৰূপায়ণ ঘটা পৰিলক্ষিত হৈছে।

**'নাৰীৰ নিজৰ জগতখনৰ কিছুমান ভিতৰুৱা আৰু অতি স্পৰ্শকাতৰ দিশ আছে। সেইবোৰৰ বিষয়ে পুৰুষ লেখকে অন্তৰংগ বৰ্ণনা দিয়া সম্ভৱ নহয়। সাম্প্ৰতিক সাহিত্যত তেনেবোৰ দিশ উত্থাপন কৰিবলৈ মহিলাসকল নিজেই আগবাঢ়ি আহিছে। ফলত ইমানদিনে চকুত নপৰা বহুতো অন্যায়, অবিচাৰ আৰু সমস্যা এতিয়া পোহৰলৈ আহিছে। বিধৱা নাৰীৰ সমস্যা নাইবা স্বামীৰপৰা আঁতৰি থকা নাৰীৰ সমস্যাৰ কথা সাহিত্যৰ এটি পুৰণি বিষয়। কিন্তু তাকে এতিয়া নতুন দৃষ্টিৰে চোৱা হৈছে। নাৰীৰ প্ৰতিটো সমস্যাকে ৰিজোৱা হৈছে পুৰুষৰ জীৱনৰ লগত আৰু প্ৰতিপন্ন কৰিব বিচৰা হৈছে যে দৈহিক আৰু মানসিক বহুতো অধিকাৰেই নাৰীয়ে পুৰুষৰ সমানে পোৱা নাই। সমাজৰ অন্ধ অনুশাসনৰ হেঁচাত পৰি নাৰীয়ে নিজৰ ভালেমান প্ৰবৃত্তি দমন কৰি থ'বলগীয়া হৈছে, যিটো সমপৰ্যায়ৰ পুৰুষে কৰাৰ প্ৰয়োজন নাই।'**[১০]

এনেদৰেই আলোচনা কৰিলে দেখা যায় যে **নাৰী জীৱনৰ নানা দুখ-যন্ত্ৰণা, নিন্দা-অপবাদ, লাঞ্ছনা-গঞ্জনা, কামনা-বাসনা আদিবোৰৰ প্ৰতিবাদ কৰাৰ লগতে নাৰী চৰিত্ৰবোৰৰ জৰিয়তে নাৰীৰ মমতাময়ী ৰূপ বৰ্ণনা, সহানুভূতিশীল অন্তৰাত্মা, প্ৰেমপ্ৰত্যাশী ৰূপ আৰু প্ৰিয়জনৰ প্ৰতি আকাংক্ষা তথা সুন্দৰতাৰ প্ৰতি স্বাভাৱিক আকৰ্ষণৰ নাৰীৰ যি প্ৰমূল্যবোধ সেই সকলোখিনিয়েই মহিলা ঔপন্যাসিকসকলৰ ৰচনাত সফল ৰূপত প্ৰতিফলিত হৈছে।**

## প্ৰসংগটীকা

১। অসমীয়া সাহিত্যত নাৰী ঃ বিনীতা দত্ত (সম্পা.) পাতনি, প্ৰকাশক ঃ প্ৰধান সম্পাদিকা, সদৌ অসম লেখিকা সমাৰোহ সমিতি, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ১৯৯৫

২। কুঁহিশিখা ভূঞা ঃ নিৰুপমা বৰগোহাঞিৰ উপন্যাসত প্ৰতিফলিত নাৰীৰ মনঃস্তত্ব ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন, নাৰীবাদ আৰু অসমীয়া উপন্যাস, ড° শুকদেৱ অধিকাৰী (সম্পা.) জাগৰণ সাহিত্য প্ৰকাশ, পাণবজাৰ, গুৱাহাটী- ১, প্ৰথম প্ৰকাশ, পৃ. নং- ৭৩

৩। ড্ৰিমী কুইন ডেকা ঃ ড° মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীবাদ, নাৰীবাদ আৰু অসমীয়া উপন্যাস, ড° শুকদেৱ অধিকাৰী (সম্পা.), সৰস্বতী ডি. এন. প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০১৫, পৃ. নং- ৯০

৪। কাবেৰী পাটৰ ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰীৰ মনস্তত্ত্ব, উক্ত গ্ৰন্থ, পৃষ্ঠা নং- ১৪৪

৫। চুমী কলিতা ঃ বিশ্বায়নৰ পটভূমিত আধুনিক অসমীয়া উপন্যাসত নাৰীৰ অধিকাৰ, Women and Human Right, Women Studies Cell, Tezpur College, Tezpur. পৃষ্ঠা নং.- ৩২৩

৬। ৰম্ভা ডেকা ঃ নাৰীবাদী উপন্যাস হিচাপে অৰূপা পটঙ্গীয়া কলিতাৰ ‘অয়নান্ত’ ঃ এটি আলোচনা, ড° শুকদেৱ অধিকাৰী (সম্পা.) নাৰীবাদ আৰু অসমীয়া উপন্যাস, সৰস্বতী ডি. এন. প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০০৫, পৃষ্ঠা নং- ১২৩

৭। অৰূপা পটঙ্গীয়া কলিতা ঃ ফেলানী, জ্যোতি প্ৰকাশন, চতুৰ্থ সংস্কৰণ, ২০১০, গুৱাহাটী- ০১, পৃষ্ঠা- ১৭৫

৮। মন্দিৰা গগৈ ঃ অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰ, পূৰ্বাঞ্চল প্ৰকাশ, মুখ্য কাৰ্যালয় — ঘৰ নং ২, সেউজীপথ, ৰায়াৰলেছ, গুৱাহাটী- ৬, প্ৰথম প্ৰকাশ, আগষ্ট, ২০০৭, পৃ. নং- ১৩৯

৯। যমুনা শৰ্মা চৌধুৰী ঃ অসমীয়া উপন্যাস পৰিক্ৰমা, সম্পা. অমল চন্দ্ৰ দাস, অনুৰাধা শৰ্মা পূজাৰীৰ ‘চাহেবপুৰাৰ বৰষুণ’, বনলতা, পাণবজাৰ, গুৱাহাটী- ১, প্ৰথম সংস্কৰণ, পৃষ্ঠা নং- ৪৫৫

১০। কৰবী ডেকা হাজৰিকা ঃ অসমীয়া সাহিত্যত নাৰী ঃ এটি মূল্যায়ন অসমীয়া সাহিত্যত নাৰী, বিনীতা দত্ত (সম্পা.) সদৌ অসম লেখিকা সমাৰোহ সমিতি, পৃষ্ঠা নং- ৩১৬, ৩১৭